**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই বিপুলভাৱে জয়লাভ কৰিব বুলি আস্থা প্ৰকাশ কৰিছে।

৩। ভাৰতে ঘূৰ্ণী বতাহ মেলিছাৰ ফলত ক্ষতিগ্ৰস্ত জামাইকা আৰু কিউবালৈ মানৱীয় সাহায্য প্ৰদান কৰিছে।

৪। ছত্তিশগড়ৰ বিলাসপুৰৰ সমীপৰ লালখাদানত আজি সন্ধিয়া সংঘটিত অটা ৰে'ল দুৰ্ঘটনাত চাৰিগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২০ গৰাকী লোক আহত হৈছে।

*আৰু*

৫। ভাৰতীয় সেনা বাহিনীয়ে আজি নতুন দিল্লীত সেনা বাহিনী ক্ৰীড়া সমাৰোহ-২০২৫ আয়োজন কৰিছে।

০০০০০

বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিছে। ইয়াৰ পূৰ্বে বিভিন্ন ৰাজনৈতিক দলে ভোটাৰৰ মন জয় কৰাৰ বাবে তীব্ৰ গতিত প্ৰচাৰ অভিযান চলায়। প্ৰথম পৰ্য্যায়ত ৰাজ্যখনৰ ১৮ খন জিলাৰ মুঠ ১২১ টা বিধানসভা সমষ্টিৰ বাবে অহা ৬ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৩ কোটি ৭৫ লাখৰো অধিক ভোটদাতাই ভাগ্য নিৰ্ণয় কৰিব। প্ৰথম পৰ্য্যায়ত পাটনা, দ্বাৰভাংগা, মাধেপোৰা, চাহাৰচা, মুজাফ্‌ফৰপুৰ, গোপালগঞ্জ, চিৰাং, চাৰণ, বৈশালী, সমষ্টিপুৰ, বেগুচৰাই, লক্ষীচৰাই, নালন্দা, বক্সাৰ, ভোজপুৰ আদি জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, প্ৰথম পৰ্য্যায়ৰ ভোটগ্ৰহণৰ বাবে এগৰাকী সাধাৰণ পৰ্য্যবেক্ষক প্ৰতিটো সমষ্টিতে নিয়োগ কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া প্ৰত্যক্ষ কৰাৰ বাবে ভোট কেন্দ্ৰসমূহত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকসকলক কোনোধৰণৰ হিংসাত্মক ঘটনা শূণ্য সহনশীলতাৰে ৰোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি পৰ্য্যাপ্ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে।

বিজেপি, জনতা দল ইউনাইটেড, ৰাষ্ট্ৰীয় জনতা দল, কংগ্ৰেছ আদিকে ধৰি বিভিন্ন ৰাজনৈতিক দলে অন্তিমবাৰৰ বাবে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দ্বাৰভাংগাত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয়, যে এন ডি এ ক্ষমতালৈ আহিলে ৰাজ্যখনৰ প্ৰতিখন জিলাতে কৌশল বিকাশ কেন্দ্ৰ স্থাপন কৰা হ'ব। তেওঁ লগতে কয়, যে প্ৰতিখন জিলাতে এটাকৈ নতুন কাৰখানা নিৰ্মাণ কৰা হ'ব আৰু ৰাজ্যখনত ১০ টা ঔদ্যোগিক উদ্যান স্থাপন কৰা হ'ব। শ্ৰীশ্বাহে লগতে প্ৰতিশ্ৰুতি দি কয়, যে ৰাজ্যখনত

এন ডি এৰ চৰকাৰ গঠন হ'লে উত্তৰ প্ৰদেশ আৰু তামিলনাডুৰ দৰে বিহাৰতো প্ৰতিৰক্ষা ক'ৰিডৰ নিৰ্মাণ কৰা হ'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে বিজেপিৰ প্ৰাৰ্থীৰ হৈ দ্বাৰভাংগাত প্ৰচাৰ চলায়। ইপিনে, আৰ জে ডিৰ নেতা মিছা ভাৰতীয়ে কয়, যে মহা মিত্ৰজোটে ৰাজ্যখনৰ জনসাধাৰণৰ ব্যাপক সমৰ্থন লাভ কৰিছে। তেওঁ কয়, যে মহা মিত্ৰজোটে যুৱ প্ৰজন্ম, মহিলা, মুদ্ৰাস্ফীতি আৰু নিয়োগ সন্দৰ্ভত জনসাধাৰণক প্ৰতিশ্ৰুতি দিছে। জনতা দল ইউনাইটেডৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে চৌপালৰ ত্ৰিবেণীগঞ্জত এখন নিৰ্বাচনী সভাত অংশ লৈ কয়, যে বিগত ২০ বছৰত তেওঁৰ চৰকাৰে বিশেষকৈ মহিলা সৱলীকৰণৰ দিশত অধিক গুৰুত্ব দিছে। তেওঁ কয়, যে জীৱিকা কাৰ্য্যসূচীৰ অধীনত ১ কোটি ৪০ লাখৰো অধিক মহিলা আত্ম সহায়ক গোটৰ সৈতে জড়িত হৈছে। মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনাৰ সন্দৰ্ভত তেওঁ কয়, যে মহিলাসকলক আত্ম-নিৰ্ভৰশীল কৰি তোলাৰ বাবে ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। আৰ জে ডিৰ নেতা তথা মহা মিত্ৰজোটৰ মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী তেজস্বী যাদৱে পাটনাত এখন নিৰ্বাচনী সভাত অংশ লৈ কয়, যে যদিহে তেওঁলোকে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়, বেপাৰ মণ্ডলৰ সভাপতিসকলক ৰাজহুৱা প্ৰতিনিধিৰ মৰ্য্যাদা দিয়া হ'ব। তেওঁ কয়, যে তেওঁলোকৰ চৰকাৰে ধান খেতিয়কসকলক  প্ৰতি কুইণ্টল ধানত ন্যূনতম সমৰ্থন মূল্যৰ সৈতে ৩০০ টকা অতিৰিক্তকৈ দিয়া হ'ব আৰু ঘেঁহু খেতিয়কসকলক ৪০০ টকাকৈ অতিৰিক্তকৈ দিয়া হ'ব।

ৰাজ্যখনত ১১ নবেম্বৰত দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্য্যায়ত ২০ খন জিলাৰ ১২২ টা সমষ্টিক সামৰি লোৱা হ'ব। ১৪ নবেম্বৰত ভোট গণনা কৰা হ'ব। ৰাজ্যখনৰ ৭ কোটি ৪৩ লাখ ভোটাৰৰ বাবে মুঠ ৯০ হাজাৰ ৭১২ টা ভোট কেন্দ্ৰ স্থাপন কৰা হ'ব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই বিপুলভাৱে জয়লাভ কৰিব বুলি আস্থা প্ৰকাশ কৰিছে। মেৰা বুথ সবসে মজবুট কাৰ্য্যসূচীৰ অধীনত আজি বিহাৰৰ মহিলাসকলৰ সৈতে মত-বিনিময় কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে বিহাৰৰ জনসাধাৰণে এন ডি এক বিপুলভাৱে জয়লাভ কৰোৱাৰ বাবে মন বান্ধি লৈছে আৰু এই নিৰ্বাচনত বিগত ২০ বছৰৰ অভিলেখ ভংগ কৰিব। তেওঁ এন ডি এ মিত্ৰজোটৰ চৰকাৰে বিহাৰৰ উন্নয়ন সাধন কৰিব বুলি আশ্বাস প্ৰদান কৰিছে।

ooooo

বিহাৰৰ মোকামাত নিৰ্বাচনী আচৰণবিধি উলংঘা কৰাৰ অভিযোগত আজি জনতা দল ইউনাইটেডৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন ওৰফে ললন সিঙৰ বিৰুদ্ধে আজি এখন এজাহাৰ পঞ্জীয়ন কৰা হয়। পাটনাৰ জিলা ন্যায়াধীশ তথা ৰিটাৰ্ণিং বিষয়াই জাৰি কৰা এখন চৰকাৰী বিজ্ঞপ্তি অনুসৰি, তদাৰকী গোটে ৰেকৰ্ড কৰা ভি ডি অ' ফুটেজ জিলা প্ৰশাসনে বিশ্লেষণ কৰাৰ পাছতেই নেতাগৰাকীৰ বিৰুদ্ধে এই ব্যৱস্থা গ্ৰহণ কৰা হয়।

ইয়াৰ পূৰ্বে মোকামাত ললন সিঙে দিয়া আপত্তিজনক মন্তব্যৰ বাবে তেওঁৰ বিৰুদ্ধে নিৰ্বাচন আয়োগে এখন জাননী জাৰি কৰি ২৪ ঘণ্টাৰ ভিতৰত এই সন্দৰ্ভত তেওঁৰ প্ৰতিক্ৰিয়া বিচাৰিছিল।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মৰ্মুৱে গুৰু নানক জয়ন্তী উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে গুৰু নানকদেৱৰ জয়ন্তীত সকলোকে তেওঁৰ আদৰ্শ আৰু শিকনিসমূহ আঁকোৱালি ল'বলৈ অনুপ্ৰাণিত কৰে আৰু এখন উন্নত সমাজ গঢ়াৰ ক্ষেত্ৰত সকলোকে পথ প্ৰদৰ্শন কৰে। তেওঁ কয়, যে গুৰু নানকজীয়ে আমাক সত্য, ন্যায় আৰু অনুকম্পাৰে সফলভাৱে জীয়াই থাকিবলৈ পথ প্ৰদৰ্শন কৰে। সততা আৰু আনৰ বাবে জীয়াই থকাৰ ক্ষেত্ৰত তেওঁ আমাক অনুপ্ৰাণিত কৰে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোকে গুৰু নানকদেৱৰ শিকনিসমূহ নিজৰ জীৱনত অনুধাৱন কৰি শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী দেশ নিৰ্মাণৰ ক্ষেত্ৰত আগুৱাই যাবলৈ আহ্বান জনায়।

ooooo

ভাৰতে ঘূৰ্ণী বতাহ মেলিছাৰ ফলত ক্ষতিগ্ৰস্ত জামাইকা আৰু কিউবালৈ মানৱীয় সাহায্য প্ৰদান কৰিছে। নতুন দিল্লীৰ পৰা আজি প্ৰায় ২০ টন সাহায্য সামগ্ৰী দেশ দুখনলৈ মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সামগ্ৰী হিচাপে প্ৰেৰণ কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে জানিবলৈ দিছে যে, ভাৰতীয় বায়ু সেনা বাহিনীৰ এখন বিমানে ঔষধ, চিকিৎসা সঁজুলি, জেনেৰেটৰ, খাদ্য আৰু দৈনন্দিন ব্যৱহৃত সামগ্ৰী আদিকে ধৰি ভালেমান সাহায্য সামগ্ৰী দেশ দুখনলৈ প্ৰেৰণ কৰিছে। তেওঁ কয়, যে ভাৰতে গ্ল'ৱেল ছাউথৰ সহযোগী ৰাষ্ট্ৰ হিচাপে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বন্ধুত্বমূলকভাৱে উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে দেশ দুখনলৈ এই সামগ্ৰী প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে, যোৱা সপ্তাহত অহা ঘূৰ্ণী বতাহ মেলিছাৰ ফলত জামাইকাত এতিয়ালৈকে ১৯ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। ঘূৰ্ণী বতাহৰ ফলত কিউবাৰ উত্তৰ-পূব প্ৰান্তত ৭ লাখ ৩৫ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে।

ooooo

ছত্তিশগড়ৰ বিলাসপুৰৰ সমীপৰ লালখাদানত আজি সন্ধিয়া সংঘটিত অটা ৰে'ল দুৰ্ঘটনাত চাৰিগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২০ গৰাকী লোক আহত হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জানিবলৈ দিয়া অনুসৰি, এখন যাত্ৰীবাহী ৰে'লৰ সৈতে এখন মালবাহী ৰে'লৰ খুন্দা লগাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। ৰে'ল বিভাগৰ শীৰ্ষ বিষয়াসকলৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী ততালিকে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযান আৰম্ভ কৰিছে। ইতিমধ্যে চাৰিগৰাকী লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে।

ooooo

ভাৰতীয় সেনা বাহিনীয়ে আজি নতুন দিল্লীত সেনা বাহিনী ক্ৰীড়া সমাৰোহ-২০২৫ আয়োজন কৰিছে। ২০৩৬ চনৰ দেশৰ অলিম্পিক অভিযানৰ প্ৰতি লক্ষ্য ৰাখি সেনাবাহিনীৰ শ্ৰেষ্ঠ খেলুৱৈসকলক আগুৱাই নিয়াৰ দায়বদ্ধতাৰে এই সমাৰোহ আয়োজন কৰা হৈছে। বিভিন্ন ক্ৰীড়া সংস্থাৰ সৈতে সহযোগিতাৰে আৰু এথলিট থ্ৰি ছিক্সটি শীৰ্ষক অভিযান এই দুটা মূল বিষয়েৰে এই সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ ক্ৰীড়াক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে সেনাবাহিনীৰ তিনিগৰাকী বিশিষ্ট ক্ৰীড়াবিদক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰে।

ooooo

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ঐতিহাসিক বিশ্বকাপ জয়ৰ পাছত খেলখনত দেখুওৱা অনবদ্য প্ৰদৰ্শনৰ বাবে ভাৰতৰ জেমিমা ৰড্ৰিগছ আৰু দীপ্তি শৰ্মাই আই চি চি মহিলা ক্ৰিকেটৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙত উন্নত

স্থান লাভ কৰিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা ছেমি ফাইনেলত শতক অৰ্জন কৰাৰ পাছত জেমিমাই প্ৰথমবাৰৰ বাবে শীৰ্ষৰ ১০ গৰাকী বেটাৰৰ ভিতৰত স্থান লাভ কৰিছে। আনহাতে, দীপ্তি শৰ্মাই নক-আউট পৰ্য্যায়ত দেখুওৱা অনবদ্য প্ৰদৰ্শনৰ বাবে অল ৰাউণ্ডাৰ্ছৰ ভিতৰত চতুৰ্থ স্থানলৈ উন্নীত হৈছে।

ooooo

উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ এখন সংগঠিত ৰাজনৈতিক মঞ্চ গঠনৰ পৰিকল্পনাৰে আজি দিল্লীৰ কনষ্টিটিউছন ক্লাৱত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাগৰাকীও ৰাজনৈতিক নেতাই এখন সংবাদ মেল সম্বোধন কৰে। এই সংবাদমেলত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই উত্তৰ পূৰ্বাঞ্চলৰ শক্তিশালী ভৱিষ্যতৰ বাবে একগোট হৈ আগবঢ়াৰ কথা বিবেচনা কৰা হৈছে বুলি উল্লেখ কৰে।

ooooo

সমাপ্ত